**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। ৰন্ধন গেছৰ যোগান সুনিশ্চিত কৰা সন্দৰ্ভত কেন্দ্ৰীয় গৃহ সচিবৰ সৈতে ৰাজ্যসমূহৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ ভাৰ্চুৱেল বৈঠক।

২। অসমত ২ লাখ ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ বাবে আজি ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত বুজাবুজিৰ চুক্তি।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈৰ পৰা দুদিনীয়া অসম ভ্ৰমণ।

৪। অসমৰ জি আই টেগ যুক্ত ২৫ মেট্ৰিক টন জহা চাউল বিদেশলৈ ৰপ্তানিৰ আজি শুভাৰম্ভ। ***আৰু***

৫। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা অব্যাহত। ১৭ মাৰ্চত বিজেপিৰ প্ৰাৰ্থী তালিকা ঘোষণা।

oooooo

ৰাজ্যসমূহত ৰন্ধন গেছ্‌ আৰু অন্যান্য ইন্ধন পৰ্যাপ্ত পৰিমাণে মজুত থকাটো নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ মুখ্য সচিব পৰ্যায়ত উচ্চ ক্ষমতা সম্পন্ন একোখন সমিতি গঠন কৰি দিছে। কালি কেন্দ্ৰীয় গৃহ সচিব, ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলৰ এখন ভাৰ্চুৱেল বৈঠকত এই বিষয়ে সিদ্ধান্ত লোৱা হয়। এই সমিতিসমূহে ইন্ধনৰ যোগান শৃংখলা সূক্ষ্মভাৱে নিৰীক্ষণ কৰিব। মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উৰা বাতৰি আৰু ভ্ৰান্ত তথ্যৰ দ্বাৰা পৰিচালিত হৈ জনসাধাৰণে যাতে আগতীয়াকৈ অধিক পৰিমাণে ৰন্ধন গেছৰ চিলিণ্ডাৰ নাইবা অন্য ইন্ধন মজুত কৰাৰ চেষ্টা নকৰে সেই সন্দৰ্ভতো সমিতিখনে দৃষ্টি ৰাখিব। এনে ধৰণৰ উৰা বাতৰি ধৰা পেলোৱা আৰু ভ্ৰান্ত তথ্য দূৰ কৰাৰ বাবে সংবাদ মাধ্যম নিৰীক্ষণ সমিতি এখনো গঠন কৰা হৈছে। তদুপৰি বিধি বলৱৎকাৰী সংস্থাসমূহক ইন্ধনৰ সংকট হ'ব বুলি জনসাধাৰণৰ মাজত আশংকাৰ সৃষ্টি কৰিব খোজা যিকোনো ব্যক্তি নাইবা সংস্থাৰ বিৰুদ্ধে কঠোৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই ব্যৱস্থাৰ অংশ হিচাপে গ্ৰাহকক এটা চিলিণ্ডাৰ ক্ৰয় কৰাৰ ২৫ দিন পিছতহে আন এটা চিলিণ্ডাৰ যোগান ধৰা হ'ব। স্বাস্থ্য প্ৰতিষ্ঠান, শিক্ষা প্ৰতিষ্ঠান আৰু পৰিয়ালসমূহক ৰন্ধন গেছ যোগানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি বৈঠকত কোৱা হৈছে। কালিৰ এই বৈঠকত ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে অংশগ্ৰহণ কৰে। বৈঠকত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াৰ লগতে বিপণন কোম্পানীসমূহৰ প্ৰতিনিধিও উপস্থিত থাকে। বৈঠকত অংশ লৈ ভাৰতীয় তেল নিগম লিমিটেডৰ ৰাজ্যিক পৰ্যায়ৰ সমন্বয়কে অসমত পৰ্যাপ্ত পৰিমাণে ৰন্ধন গেছ মজুত আছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে স্থানীয় শোধনাগাৰসমূহে ৰাজ্যৰ ৰন্ধন গেছৰ চাহিদাৰ ৩০ শতাংশ পূৰণ কৰিব পাৰে আৰু তেওঁলোকক উৎপাদন বৃদ্ধি কৰি যোগান নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। জনসাধাৰণৰ সুবিধাৰ বাবে ভাৰতীয় তেল নিগম লিমিটেডে ৰন্ধন গেছৰ যোগান সম্পৰ্কত থকা যিকোনো আশংকা দূৰ কৰিব পৰাকৈ ১৮০০-২৩৩-৩৫৫৫ এই টোল ফ্ৰি নম্বৰ মুকলি কৰিছে। ৰাজ্য চৰকাৰে ইন্ধনৰ পৰ্যাপ্ততা সন্দৰ্ভত সূক্ষ্ম দৃষ্টি ৰাখিছে আৰু পৰ্যাপ্ত যোগান নিশ্চিত কৰিবলৈ সংশ্লিষ্টসকলক নিৰ্দেশ দিছে।

উল্লেখযোগ্য যে অসমত ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰৰ নাটনি নহয় বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। ইৰান আৰু আমেৰিকা-ইজৰাইলৰ মাজত চলি থকা যুদ্ধৰ পৰিপ্ৰেক্ষিতত অসমতো ৰন্ধন গেছৰ নাটনি হ'ব বুলি বিভিন্ন সংবাদ মাধ্যমত কেইবাদিনো ধৰি বাতৰি প্ৰকাশ পোৱাৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এই মত প্ৰকাশ কৰিছে।

**বাইট (চি এম)**

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায়ত প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ'ব। গুৱাহাটীৰ শ্ৰীশ্ৰীদামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিয়লি ৪ বজাত আয়োজিত অনুষ্ঠানত মুঠ ২ লাখ ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাবে স্বাক্ষৰ কৰা হ'ব। ব্যক্তিগত ক্ষেত্ৰভিত্তিক ১ লাখ ৪০ হাজাৰ কোটি, আন্তঃগাঁঠনি ক্ষেত্ৰভিত্তিক ৫৪ হাজাৰ কোটি আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ৬৩ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

অসমৰ জি আই টেগযুক্ত জহা চাউল বিদেশলৈ ৰপ্তানীৰ ব্যৱস্থা কৰা হৈছে। আজি দিনৰ ১১ বজাত খানাপাৰৰ কৃষি ভৱনৰ পৰা কৃষিমন্ত্ৰী অতুল বৰাই এই ৰপ্তানি কাৰ্যৰ শুভাৰম্ভ কৰিব। উল্লেখযোগ্য যে, অসমৰ পৰা প্ৰায় ২৫ মেট্ৰিক টন জহা চাউল প্ৰথমবাৰৰ বাবে ব্ৰিটেইন আৰু ইটালীলৈ ৰপ্তানি কৰা হ'ব। বিশ্বৰ বিভিন্ন প্ৰান্তলৈ অসমৰ কৃষি সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত এই পদক্ষেপ মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তিৰ অংশ হিচাপে আজি পুনৰ ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। আজি দিনৰ ১০ বজাত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুনকৈ চাকৰি লাভ কৰা সকলক নিযুক্তি পত্ৰ প্ৰদান কৰিব। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, যোৱা ৪ মাৰ্চ পৰ্যন্ত বৰ্তমানৰ চৰকাৰখনে ১ লাখ ৫৮ হাজাৰ ৬৬৯ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈৰ পৰা দুদিনীয়া অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ, কামৰূপ মহানগৰ আৰু কাছাৰকে ধৰি সংশ্লিষ্ট জিলা কেইখনত প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প জনসাধাৰণৰ বাবে উৎসৰ্গা কৰিব আৰু কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুৰিত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। পৰহিলৈ শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনত কৃষকসকললৈ ২২ সংখ্যক কিস্তি মুকলি কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই ২২ সংখ্যক কিস্তিৰ অধীনত দেশৰ ৯ কোটি ৩২ লাখতকৈও অধিক কৃষকৰ পৰিয়ালৰ বেংক একাউণ্টলৈ ১৮ হাজাৰ ৪০ কোটিতকৈও অধিক ধন পোনপটীয়াভাৱে প্ৰেৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়-

**বাইট (চি এম)**

১৫ মাৰ্চত গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। সেইদিনা তেওঁ দিনৰ ১০ বজাত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় মুকলি কৰিব। দিনৰ ১১ বজাত তেওঁ বিজেপিয়ে আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰিব।

০০০০০০

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহে প্ৰাৰ্থী তালিকা প্ৰকাশকে ধৰি বিভিন্ন প্ৰস্তুতি অব্যাহত ৰাখিছে। শাসনাধিষ্ঠিত বিজেপিয়ে অহা ১৭ মাৰ্চত দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া আটাইকেইটা বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাটত উল্লেখ কৰে।

কংগ্ৰেছ দলে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা কিছুদিন পূৰ্বে প্ৰকাশ কৰে। এ আই ইউ ডি এফ দলে ৯ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। ৰাইজৰ দলেও ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথম তালিকাখন প্ৰকাশ কৰিছে।

কংগ্ৰেছ দলে চলিত সপ্তাহতে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰিব বুলি সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰিছে। শ্ৰীগগৈয়ে কালি সামাজিক মাধ্যমযোগে ৰাইজৰ দলৰ সৈতে মিত্ৰতা সন্দৰ্ভত কোনো সিদ্ধান্ত হোৱা নাই আৰু সদ্যহতে এই সম্পৰ্কীয় আলোচনাৰ পৰা বিৰত থকা হৈছে বুলি উল্লেখ কৰিছে। অসম গণ পৰিষদ দলে দুই এদিনতে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি দলৰ সভাপতি অতুল বৰাই ইতিমধ্যে প্ৰকাশ কৰিছে। মিত্ৰতা সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। বিপিএফে নিৰ্বাচনৰ দিন ঘোষণা কৰা হোৱাৰ পাচত প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিব বুলি প্ৰকাশ কৰিছে। চিৰাং জিলাৰ কাজলগাঁৱত কালি বি পি এফ দলে সমাগত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। এই বৈঠকত বি পি এফে বিটিচিৰ ১৫টা সমষ্টিতে নিৰ্বাচন খেলিব বুলি দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২৪ সংখ্যক সমাৰৰ্তন আজি অনুষ্ঠিত হ'ব। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য্য লক্ষ্মণপ্ৰসাদ আচাৰ্য্যৰ সভাপতিত্বত হ'বলগীয়া সমাৰ্বতন কাৰ্য্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে বিশিষ্ট শল্য চিকিৎসক সৰ্বেশ্বৰ ভূঞাক ডক্টৰ অৱ ছায়েন্স আৰু অৰুণাচল প্ৰদেশৰ প্ৰখ্যাত সাহিত্যিক, সাংবাদিক সাহিত্য অকাডেমী প্ৰাপক পদ্মশ্ৰী মামাং দাইক ডি লিট সন্মান প্ৰদান কৰা হ'ব।

ইপিনে, যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৬ সংখ্যক সমাৰৰ্তন কালি বিশ্ববিদ্যালয়খনৰ যোৰহাটস্থিত মূল চৌহদৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ আচাৰ্য্য লক্ষ্মণপ্ৰসাদ আচাৰ্য্যই সমাৰৰ্তনত অংশগ্ৰহণ কৰে। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, বিশ্ববিদ্যালয় খনৰ উপাচাৰ্য্য ড° বিদ্যুৎ চন্দন ডেকা আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। সমাৰৰ্তনত অৰুণাচল প্ৰদেশৰ বনৌষধি চিকিৎসা বিশেষজ্ঞ য়ানুঙ জেমহ লীগক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়।

০০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই কালি শিৱসাগৰ জিলা ভ্ৰমণ কৰি আহোম সাম্ৰাজ্যৰ গৌৰৱোজ্জল ঐতিহাসিক কীৰ্তি চিহ্নসমূহ পৰিদৰ্শন কৰে। তেওঁ প্ৰথমে শিৱসাগৰ চহৰৰ মাজমজিয়াত থকা শিৱদৌল দৰ্শন কৰে আৰু তাত পূজা-অৰ্চনা কৰে। ইয়াৰ পাছত তেওঁ ৰংঘৰ পৰিদৰ্শন কৰি ইয়াৰ ঐতিহাসিক আৰু পুৰাতাত্ত্বিক গুৰুত্ব তথা স্থাপত্য শৈলীৰ নিপুণতা দেখি অভিভূত হৈ পৰে। ৰাজ্যপালগৰাকীয়ে ৰংঘৰৰ পৰিসৰত অব্যাহত থকা বিভিন্ন উন্নয়নমূলক

প্ৰকল্প আৰু সৌন্দর্যবৰ্ধন কাৰ্যৰ বিষয়ে বুজ লয়। শ্ৰীআচাৰ্যৰ এই ভ্ৰমণকালত জিলা আয়ুক্ত মৃদুল যাদৱ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াকে ধৰি পুৰাতত্ব জৰীপ বিভাগৰ কেইবাগৰাকী বিষয়াই সংগ দিয়ে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাট আৰু কাৰ্বি আংলঙত উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসমৰ যুৱক-যুৱতীয়ে নিয়োগকৰ্তা হ'ব পৰা এটা যুৱ আন্দোলন গঢ়ি তুলিব লাগিব। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতীক দ্বিতীয় কিস্তিৰ ধন প্ৰদান অনুষ্ঠান মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এইদৰে মত প্ৰকাশ কৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

উচ্চতম ন্যায়ালয়ে দেশত প্ৰথমবাৰৰ বাবে ইচ্ছা মৃত্যুৰ অনুমতি প্ৰদান কৰাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন, দা ছেন্টিনেল** আৰু **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত শাসনাধিষ্ঠিত বিজেপিয়ে অহা ১৭ মাৰ্চত দলটোৰে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰতিখন বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি যোৰহাটত এইদৰে উল্লেখ কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত গোলকীয় যোগান ব্যৱস্থা ব্যাহত হৈ পৰাৰ ফলত দেশত ৰন্ধন গেছৰ ব্যাপক নাটনিয়ে দেখা দিয়া বাতৰিটো **দৈনিক অসম** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** আৰু **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**